# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখঃ ১৬/০২/২০২৬ সোমবাৰ

**আজি ইংৰাজী ১৬-০২-২০২৬ তাৰিখে অসম বিধান সভাৰ নৱ-নিৰ্মিত সদন কক্ষত অসম বিধান সভাৰ বাজেট (লেখানুদান বাজেট) অধিবেশন পূৰ্ব্ব নিৰ্দ্ধাৰিত সময় সূচী মতে ৰাতিপুৱা ০৯ঃ৩০ বজাত অনুষ্ঠিত হয়।**

**(ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় গীত বন্দে মাতৰম্ আৰু ৰাষ্ট্ৰীয় সংগীতেৰে অধিবেশন আৰম্ভ হয়)**

**মাননীয় অধ্যক্ষ ঃ** সুপ্ৰভাত, আমাৰ সন্মানীয় সকলোৰে শ্ৰদ্ধাৰ অসমৰ মহামান্য ৰাজ্যপাল শ্ৰী লক্ষ্মণ প্ৰসাদ আচাৰ্য্য ডাঙৰীয়া আৰু সন্মানীয় সদন, এতিয়া আজিৰ বিধান সভাৰ অনুষ্ঠানৰ প্ৰথমতে মই অসমৰ মহামান্য ৰাজ্যপাল মহোদয়ক ভাষণ আৰম্ভ কৰিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী লক্ষ্মণ প্ৰসাদ আচাৰ্য্য, মহামান্য ৰাজ্যপাল ঃ**

(মহামান্য ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণ পাঠ কৰে)

**( সদনত বিৰোধী দলসমূহে ৰাজ্যপালৰ ভাষণত প্ৰতিবাদ , হুলস্থূল আৰু বিভিন্ন শ্ল’গান দি বাধা প্ৰদান কৰিবলৈ চেষ্টা কৰে )**

**মাননীয় অধ্যক্ষ ঃ বহুত বহুত ধন্যবাদ ৰাজ্যপাল জীকো- এতিয়া আমি তেখেতক বিদায় জনাবলৈ বিচাৰিছো । এতিয়া চাহ বিৰতিৰ বাবে সদন ১২.০০ বজালৈ স্থগিত ৰখা হ’ল ।**

**(ৰাজ্যপাল মহোদয়ৰ ভাষণ সমাপ্ত হোৱাৰ লগে লগে সদনত একাদিক্ৰমে জাতীয় সংগীত আৰু ৰাষ্ট্ৰীয় সংগীত-** বাজি উঠে)

(ৰাজ্যপাল মহোদয়ৰ প্ৰস্থান......)

-- চাহ বিৰতি -

**(মাননীয় উপাধ্যক্ষ ডাঃ নোমল ম’মিন ডাঙৰীয়াই আজি ১৬-০২-২০২৬ তাৰিখে দিনৰ ১২ বাজি ৪ মিনিটত সদনৰ কাম-কাজ পুনৰ আৰম্ভ কৰে)।**

**ডাঃ নোমল ম’মিন, মাননীয় উপধ্যক্ষ ঃ** Next Item মৃত্যু প্ৰসংগ,

**বিগত সময়ছোৱাত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা কেইবাগৰাকীও বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে ।**

সেইসকলৰ ভিতৰত অন্যতম আছিল —

**হাফলং বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া** — বীৰ ভদ্ৰ হাগজেৰ

**প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰবীণ ৰাজনীতিবিদ** — কবীন্দ্ৰ পুৰকায়স্থ

**প্ৰাক্তন সাংসদ, জ্যেষ্ঠ অধিবক্তা তথা বিশিষ্ট সমাজকৰ্মী** — সত্যেন্দ্ৰ নাথ ব্ৰহ্মচৌধুৰী

**বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সমাজসেৱক** — তৰেণ চন্দ্ৰ বড়ো

**বীৰ ভদ্ৰ হাগজেৰ**

হাফলং বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক, বিশিষ্ট ৰাজনীতিবিদ তথা ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া বীৰ ভদ্ৰ হাগজেৰ ডাঙৰীয়াৰ বিগত ১৩ জানুৱাৰী তাৰিখে দেহাৱসান ঘটে । মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৫ বছৰ ।

বহুমুখী ব্যক্তিত্বৰ অধিকাৰী, বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি জয়ভদ্ৰ হাগজেৰ ডাঙৰীয়াৰ সুপুত্ৰ বীৰ ভদ্ৰ হাগজেৰ ডাঙৰীয়াই আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰি প্ৰশাসনিক সেৱাৰ জৰিয়তে কৰ্মত যোগদান কৰি অসম চৰকাৰৰ এক অন্যতম শীৰ্ষ পদবীত অধিষ্ঠিত হৈ বহু জনহিতৈষী কাৰ্য্য সম্পাদন কৰিছিল। পৰৱৰ্তী পৰ্য্যায়ত তেখেতে ভাৰতীয় জনতা পাৰ্টী দলক প্ৰতিনিধিত্ব কৰি হাফলং বিধান সভা সমষ্টিৰ পৰা চতুৰ্দশ বিধান সভালৈ নিৰ্বাচিত হৈ সপ্ৰতিভভাৱে দেশ তথা সমাজৰ কল্যাণৰ হকে আত্মনিয়োগ কৰিছিল । হাগজেৰ ডাঙৰীয়াই বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত আজীৱন জড়িত থাকি সামাজিক দায়বদ্ধতাৰে বহু গুৰুদায়িত্ব পালন কৰি আহিছিল ।

এইগৰাকী নিষ্ঠাবান ৰাজনীতিক তথা সুদক্ষ প্ৰশাসনিক বিষয়াৰ বিয়োগত ৰাজ্যৰ ৰাজনৈতিক ক্ষেত্ৰখনৰ লগতে সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল ।

**কবীন্দ্ৰ পুৰকায়স্থ**

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰবীণ ৰাজনীতিবিদ কবীন্দ্ৰ পুৰকায়স্থ ডাঙৰীয়াৰ বিগত ৭ জানুৱাৰী তাৰিখে দেহাৱসান ঘটে । মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯৫ বছৰ ।

১৯৩১ চনত জন্মগ্ৰহণ কৰা কবীন্দ্ৰ পুৰকায়স্থ ডাঙৰীয়াই ৰাজনীতিৰ ক্ষেত্ৰখনত আত্মপ্ৰকাশ কৰি শিলচৰ লোকসভা সমষ্টিৰ পৰা ভাৰতীয় জনতা পাৰ্টী দলক প্ৰতিনিধিত্ব কৰি ১৯৯১, ১৯৯৮ আৰু ২০০৯ চনত সৰ্বমুঠ তিনিবাৰকৈ লোকসভাৰ সদস্য হিচাপে নিৰ্বাচিত হোৱাৰ লগতে ১৯৯৮ চনত কেন্দ্ৰীয় মন্ত্ৰীসভাত ৰাজ্যিক মন্ত্ৰীৰ আসনো অলংকৃত কৰিছিল । পুৰকায়স্থ ডাঙৰীয়াই বৰাক উপত্যকাৰ লগতে ৰাজ্যখনৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত আজীৱন জড়িত থাকি দায়বদ্ধতা তথা নিষ্ঠাৰে সামাজিক উত্তৰণৰ হকে উল্লেখনীয় অৱদান আগবঢ়াই গৈছে । দীৰ্ঘদিনীয়া ৰাজনৈতিক কৰ্মৰাজিৰ জৰিয়তে সমাজলৈ আগবঢ়োৱা অসামান্য অৱদানৰ স্বীকৃতিস্বৰূপে অসম বিশ্ববিদ্যালয়ৰ দ্বাৰা ডক্টৰেট ডিগ্ৰীৰে সন্মানিত হোৱা পুৰকায়স্থ ডাঙৰীয়ালৈ মৰণোত্তৰভাৱে ২০২৬ বৰ্ষৰ দেশৰ অন্যতম সৰ্বোচ্চ অসামৰিক সন্মান 'পদ্মশ্ৰী' আগবঢ়োৱা হৈছে ।

এইগৰাকী বিশিষ্ট ৰাজনীতিবিদৰ বিয়োগত ৰাজ্যৰ ৰাজনৈতিক ক্ষেত্ৰখনৰ লগতে সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল ।

**সত্যেন্দ্ৰ নাথ ব্ৰহ্মচৌধুৰী**

প্ৰাক্তন সাংসদ, জ্যেষ্ঠ অধিবক্তা তথা বিশিষ্ট সমাজকৰ্মী সত্যেন্দ্ৰ নাথ ব্ৰহ্মচৌধুৰী ডাঙৰীয়াৰ বিগত ২ জানুৱাৰী তাৰিখে দেহাৱসান ঘটে । মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল

৮১ বছৰ ।

১৯৪৩ চনত জন্মগ্ৰহণ কৰা সত্যেন্দ্ৰ নাথ ব্ৰহ্মচৌধুৰী ডাঙৰীয়াই শিক্ষকতাৰে কৰ্মজীৱনৰ পাতনি মেলি পৰৱৰ্তী সময়ত ওকালতি জীৱন আৰম্ভ কৰে । প্ৰথিতযশা সাহিত্যিক, অসম সাহিত্য সভাৰ দুটা কাৰ্য্যকালৰ ভূতপূৰ্ব সভাপতি সীতানাথ ব্ৰহ্মচৌধুৰীৰ সু-সন্তান সত্যেন্দ্ৰ নাথ ব্ৰহ্মচৌধুৰী ডাঙৰীয়াই ১৯৯১ চনত এবছু আৰু বি পি এ চিৰ সমৰ্থনত নিৰ্দলীয় প্ৰাৰ্থীৰূপে কোকৰাঝাৰ লোকসভা সমষ্টিৰ পৰা লোকসভাৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিল । বড়োলেণ্ড আন্দোলনৰ সময়ত এবছু আৰু বি পি এ চিৰ আইনী উপদেষ্টা হিচাপে কাৰ্য্যনিৰ্বাহ কৰা ব্ৰহ্মচৌধুৰী ডাঙৰীয়া — ১৯৯৩ চনত স্বাক্ষৰিত ঐতিহাসিক বড়োলেণ্ড ত্ৰিপাক্ষিক চুক্তিৰ ফলত জন্মলাভ কৰা বড়োলেণ্ড স্বায়ত্ব পৰিষদ চমুকৈ BAC ৰ এক অন্যতম কাণ্ডাৰী আছিল ।ব্ৰহ্মচৌধুৰী ডাঙৰীয়াই বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকি দায়বদ্ধতা তথা নিষ্ঠা সহকাৰে সমাজৰ উত্তৰণৰ হকে উল্লেখনীয় অৱদান আগবঢ়াই আহিছিল ।

এইগৰাকী নিষ্ঠাবান ৰাজনীতিক তথা বিশিষ্ট সমাজসেৱকৰ বিয়োগত ৰাজ্যখনৰ জাতীয় জীৱনত এক অপূৰণীয় ক্ষতি হ'ল ।

## <u>তৰেণ চন্দ্ৰ বড়ো</u>

বড়ো সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি, বিশিষ্ট সমাজসেৱক তৰেণ চন্দ্ৰ বড়ো ডাঙৰীয়াৰ বিগত ১৪ ফেব্ৰুৱাৰী তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে ।

১৯৫৫ চনৰ ১ নৱেম্বৰ তাৰিখে অবিভক্ত গোৱালপাৰা জিলাৰ বৰ্তমানৰ কোকৰাঝাৰত জন্মগ্ৰহণ কৰা তৰেণ চন্দ্ৰ বড়ো ডাঙৰীয়াই বাল্যকালৰে পৰা মেধাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল । গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰীৰ লগতে সাংবাদিকতাৰ ডিপ্ল'মা লাভ কৰা বড়ো ডাঙৰীয়াই আকাশবাণী গুৱাহাটী আৰু অসম চৰকাৰৰ অধীনতো সেৱা আগবঢ়াই পৰৱৰ্তী সময়ত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ এক শীৰ্ষ পদবীত অধিষ্ঠিত হৈ অৱসৰ গ্ৰহণ কৰে ।একেৰাহে সাহিত্যিক, নাট্যকাৰ, কবি তথা অভিনেতা ৰূপে সুনাম অৰ্জন কৰা বড়ো ডাঙৰীয়াই দেশ তথা ৰাজ্যখনলৈ ঘাইকৈ বড়ো জনগোষ্ঠীয় সমাজলৈ উল্লেখনীয় বৰঙণি আগবঢ়াই গৈছে । বড়ো সাহিত্য সভাৰ সৈতে আজীৱন জড়িত হৈ থকা তৰেণ চন্দ্ৰ বড়ো ডাঙৰীয়াই ২০১৭ চনৰ পৰা ২০২৩ চনলৈকে সভাৰ সভাপতি হিচাপে অতি পাৰদৰ্শিকতাৰে কাৰ্য্যনিৰ্বাহ কৰিছিল । মৃত্যুৰ আগমুহূৰ্তলৈকে সাহিত্য অকাডেমীৰ বড়ো ভাষাৰ উপদেষ্টা সমিতিৰ আহ্বায়ক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি অহা এইগৰাকী প্ৰথিতযশা সাহিত্যিকে বড়ো ভাষাৰ লগতে অসমীয়া ভাষাতো কেইবাখনো মূল্যবান গ্ৰন্থ প্ৰণয়নৰ জৰিয়তে বড়ো তথা অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে ।

বৰ্ণিল জীৱন পৰিক্ৰমাত সাহিত্য তথা সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ বড়ো ডাঙৰীয়াই আগবঢ়োৱা অৱদান সমাজৰ সকলোৰে বাবে স্মৰণীয় হৈ ৰ'ব ।

এইগৰাকী যশস্বী সাহিত্যিক তথা সমাজকৰ্মীৰ বিয়োগত ৰাজ্যখনৰ জাতীয় জীৱনত এক অপূৰণীয় ক্ষতি হ'ল ।

ইয়াৰ লগতে দেশ তথা ৰাজ্যখনলৈ বিশেষ বৰঙণি আগবঢ়োৱা বহুগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটিছে । তেখেতসকল হ'ল ক্ৰমে ঃ—

বিশিষ্ট মুক্তিযুঁজাৰু — যতীন্দ্ৰনাথ হাজৰিকা
বিশিষ্ট মুক্তিযুঁজাৰু তথা প্ৰখ্যাত লোকশিল্পী — শশীন্দ্ৰ ডেকা
গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ — সুনীল কুমাৰ কৰ
গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা তথা বিশিষ্ট সমাজকৰ্মী — শব্দৰাম ৰাভা
প্ৰবীণ সাংবাদিক তথা 'দ্য আছাম ট্ৰিবিউন' বাতৰি কাকত গোষ্ঠীৰ পৰিচালন সঞ্চালক — প্ৰফুল্ল গোবিন্দ বৰুৱা
বিশিষ্ট সাংবাদিক তথা জনপ্ৰিয় অসমীয়া আলোচনী 'প্ৰান্তিক'ৰ সম্পাদক — প্ৰদীপ বৰুৱা
আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন আলোকচিত্ৰ শিল্পী — নলিনী বৰুৱা
যশস্বী সংগীত শিল্পী — সমৰ হাজৰিকা
বিশিষ্ট উদ্যোগপতি তথা সত্ৰীয়া সংস্কৃতিৰ একনিষ্ঠ সাধক — লক্ষ্মীকান্ত মহন্ত
বিশিষ্ট সংস্কৃত পণ্ডিত তথা শিক্ষাবিদ — মতিদেৱ শৰ্মা শাস্ত্ৰী
শাস্ত্ৰীয় সংগীতজ্ঞ তথা প্ৰখ্যাত বেহেলাবাদক — মিনতি খাউণ্ড
যশস্বী অভিনেত্ৰী তথা নৃত্য পটীয়সী — ৰঞ্জনা শৰ্মা বৰদলৈ
বিশিষ্ট কবি, নাট্যকাৰ তথা পৰিচালক — ৰফিকুল হোছেইন

অতি দুঃখ আৰু ব্যথিত হৃদয়ৰে আজি অসম বিধান সভাৰ পৰিত্ৰ মজিয়াত এইসকল লোকৰ বিয়োগত শোক প্ৰকাশ কৰিছোঁ ।

এতিয়া, এই বৰেণ্য ব্যক্তিসকলৰ বিদেহ আত্মাৰ সদ্গতি তথা চিৰশান্তি কামনা কৰি থিয় হৈ ক্ষন্তেক সময় মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি মই অনুৰোধ জনালোঁ ।

**( শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ অসম বিধান সভাৰ সচিব ডাঙৰীয়াই এই শোকপ্ৰস্তাৱৰ প্ৰতিলিপি প্ৰেৰণ কৰিব )**

মাননীয় সদস্যসকল, যোৱা সময়ছোৱাত কেইবাটাও আশাব্যঞ্জক বতৰাই ৰাজ্যবাসীক উৎসাহিত কৰিলে ।

বিগত ১৭ জানুৱাৰী তাৰিখে সন্ধিয়া গুৱাহাটীৰ সৰুসজাইস্থিত অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত দেশৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ উপস্থিতিত, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰৰ উদ্যোগত আয়োজিত দহ সহস্ৰাধিক নৃত্যশিল্পীয়ে পৰিৱেশন কৰা বড়ো জনগোষ্ঠীৰ বাৰেৰহণীয়া লোকনৃত্য বাগুৰুম্বাৰ এক ঐতিহাসিক নৃত্যানুষ্ঠান **'বাগুৰুম্বা দহৌ'** প্ৰদৰ্শিত হয় । অভিলেখ সৃষ্টিকাৰী এই দৃষ্টিনন্দন নৃত্য প্ৰত্যক্ষ কৰি সৰ্বস্তৰৰ জনতাৰ লগতে মাননীয় প্ৰধানমন্ত্ৰী গৰাকীও আপ্লুত হৈ পৰে আৰু এই অনুষ্ঠানে বড়ো সমাজৰ সমৃদ্ধ ঐতিহ্য তথা মহান জনগোষ্ঠীটোৰ কৃষ্টি-সংস্কৃতিক বিশ্ব দৰবাৰত সুপ্ৰতিষ্ঠিত কৰিলে ।

বিগত কেইটামান মাহত ৰাজ্যখনে ভালেকেইটা জনকল্যাণকামী প্ৰকল্প লাভ কৰিলে আৰু কিছুসংখ্যক প্ৰকল্প ৰূপায়ণৰ অন্তত জনসাধাৰণৰ সেৱাত উৎসৰ্গিত হ'ল । যোৱা ২০ ডিচেম্বৰ তাৰিখে মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই গুৱাহাটীস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰৰ নতুন টাৰ্মিনেলৰ শুভ উদ্বোধন কৰে । অত্যাধুনিক সা-সুবিধাৰে

সু-সজ্জিত ভাৰতৰ অন্যতম বিমানবন্দৰ সমূহৰ সৈতে ফেৰ মাৰিব পৰাকৈ নিৰ্মাণ হোৱা এই টাৰ্মিনেল উত্তৰ-পূৰ ভাৰতৰ সৰ্ববৃহৎ টাৰ্মিনেল ৰূপে পৰিগণিত হ'ল ।

পৰৱৰ্তী সময়ত ডিব্ৰুগড়ৰ নামৰূপত অসম ভেলী ফাৰ্টিলাইজাৰ এণ্ড কেমিকেল কোম্পানী লিমিটেডৰ এম'নিয়া-ইউৰিয়া সাৰ প্ৰকল্পৰ লগতে বন্যপ্ৰাণী সুৰক্ষাৰ মহান উদ্দেশ্য আগত ৰাখি কাজিৰঙাত ৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড কৰিড'ৰৰ ব্যৱস্থাৰে কলিয়াবৰৰ পৰা নুমলীগড়লৈকে ৮৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ চাৰিলেনযুক্ত পথ নিৰ্মাণ প্ৰকল্পৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই শিলান্যাস কৰে ।

মাননীয় সদস্যসকল, আমাৰ সকলোৰে বাবে অতিকৈ আনন্দৰ বিষয় হৈছে যে চলিত পঞ্চদশ বিধান সভাৰ কালছোৱাতে অসম বিধান সভাৰ দ্বিতীয়টো কৰ্মস্থলী গঠন হোৱাৰ পথ প্ৰশস্ত হ'ল । যোৱা ৩০ জানুৱাৰী তাৰিখে ভাৰতৰ মাননীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াই ডিব্ৰুগড়ৰ খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ শুভ উদ্বোধন; ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ শিলান্যাসৰ উপৰিও অসমৰ জলাশয়সমূহৰ পুনৰুদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণ প্ৰকল্প আঁচনিৰ শুভাৰম্ভণিকে আদি কৰি কেইবাটাও কেন্দ্ৰীয় প্ৰকল্প তথা ৰাজ্য চৰকাৰৰ প্ৰকল্পৰ লগতে ডিব্ৰুগড় চহৰত অসম বিধান সভাৰ ভৱনৰ শিলান্যাসৰ যোগেদি ৰাজ্যখনৰ ইতিহাসত এক নতুন অধ্যায়ৰ সংযোজন কৰে । প্ৰায় ৫৭ বিঘা ভূমি সামৰি ২৮৪ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া এই ঐতিহাসিক প্ৰকল্পটোত বিধান সভা ভৱনৰ লগতে বিধায়ক আৱাস আদি উপলব্ধ হ'ব। বিধান সভাৰ এই প্ৰস্তাৱিত ভৱনটোত ৮০০ আসনযুক্ত অত্যাধুনিক প্ৰেক্ষাগৃহ, সুবিশাল সভাকক্ষ, ভোজনালয়কে ধৰি প্ৰয়োজনীয় সকলো সুবিধা উপলব্ধ হ'ব ।

যোৱা ১৩ ফেব্ৰুৱাৰী তাৰিখে অসম ভ্ৰমণৰ কালছোৱাত ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উন্মোচন আৰু শিলান্যাস কৰে । মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ডিব্ৰুগড় জিলাৰ মৰাণ বাইপাছ ৰাষ্ট্ৰীয় ঘাইপথত উত্তৰ-পূৰ ভাৰতৰ প্ৰথম বায়ুসেনাৰ জৰুৰীকালীন অৱতৰণ সেৱাৰ শুভ উদ্বোধন কৰে । এই প্ৰকল্পই দেশৰ নিৰাপত্তাৰ দিশত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব ।

উক্তদিনাই মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ৰাজ্য চৰকাৰৰ অভিলাষী প্ৰকল্প গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতুৰ শুভ উদ্বোধন কৰে । ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মিত এই দলঙে নদীখনৰ উত্তৰ আৰু দক্ষিণ পাৰৰ দৈৰ্ঘ্য সংকোচন কৰি সুচল যাতায়াত ব্যৱস্থাৰে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশক এক নতুন মাত্ৰা প্ৰদান কৰিব । এই শুভক্ষণতে মাননীয় প্ৰধানমন্ত্ৰী গৰাকীয়ে কামৰূপৰ বঙৰাস্থিত টেংক চিটীত আই আই এম গুৱাহাটীৰ কেম্পাছ আৰু আমিনগাঁৱত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাষ্ট্ৰীয় ডেটা কেন্দ্ৰৰ শুভ উদ্বোধন কৰে । এই দুই কেন্দ্ৰীয় প্ৰকল্পৰ শুভাৰম্ভণিয়ে ৰাজ্যখনৰ উচ্চ শিক্ষা আৰু তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰখনত নতুন দিগন্তৰ সূচনা কৰিব ।

মাননীয় সদন, আপোনালোকক জনাবলৈ পাই আনন্দিত হৈছোঁ যে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা বিশিষ্ট সেৱাৰ বাবে ৰাজ্যখনৰ ৫ গৰাকীকৈ সুযোগ্য সন্তানলৈ ২০২৬ বৰ্ষৰ দেশৰ অন্যতম সৰ্বোচ্চ অসামৰিক সন্মান ‘পদ্মশ্ৰী’ আগবঢ়োৱা হৈছে ।

জনপৰিক্ৰমাৰ ক্ষেত্ৰত আগবঢ়োৱা বিশিষ্ট সেৱাৰ বাবে মৰণোত্তৰভাৱে প্ৰবীণ ৰাজনীতিবিদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থ ডাঙৰীয়ালৈ;
শিল্পকলা বিষয়ত আগবঢ়োৱা গুৰুত্বপূৰ্ণ সেৱাৰ বাবে যথাক্ৰমে ঃ
বিশিষ্ট সত্ৰীয়া শিল্পী হৰিচৰণ শইকীয়া ডাঙৰীয়া; বৰেণ্য ভাস্কৰ্যশিল্পী তথা কলা নিৰ্দেশক নুৰুদ্দিন

আহমেদ ডাঙৰীয়া আৰু
বিশিষ্টা কাৰ্বি লোকশিল্পী পখিলা লেকথেপী ডাঙৰীয়ানীলৈ আৰু
কৃষিক্ষেত্ৰলৈ আগবঢ়োৱা উল্লেখনীয় সেৱাৰ বাবে বিশিষ্ট এৰী আৰু ৰেচম বিশেষজ্ঞ যোগেশ দেউৰী ডাঙৰীয়ালৈ এই সন্মান আগবঢ়োৱা হৈছে ।

এই আটাইকেইগৰাকী বৰেণ্য ব্যক্তিলৈ অসম বিধান সভাৰ হৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ ।

সন্মানীয় সদন, বিগত ৬ ফেব্ৰুৱাৰী তাৰিখে জিম্বাব'ৱেৰ হাৰাৰেত অনুষ্ঠিত হোৱা ১৯ বছৰ অনূৰ্ধ্ব বিশ্বকাপ ক্ৰিকেটৰ ফাইনেলত ভাৰতে ইংলেণ্ড দলক ১০০ ৰানত পৰাস্ত কৰি ষষ্ঠবাৰৰ বাবে বিশ্বকাপ জয়ৰ খিতাপ দখল কৰে । এই বিজয়ৰ অন্যতম অংশীদাৰ ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডৰ সমূহ বিষয়ববীয়া, প্ৰশিক্ষককে আদি কৰি ভাৰতীয় ক্ৰিকেট দলটোৰ অধিনায়কৰ লগতে দলটোৰ সমূহ সদস্য আৰু ইয়াৰ লগত জড়িত সমূহ বিষয়ববীয়া তথা কৰ্মকৰ্তালৈ অসম বিধান সভাৰ তৰফৰ পৰা মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ ।

মাননীয় সদস্যসকল, চলিত বৰ্ষতে যোৰহাট জিলাৰ আৰ আৰ এল কেন্দ্ৰীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী আই চি প্ৰিষা বৰাই বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত দেখুওৱা উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে শিশুৰ বাবে আগবঢ়োৱা দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান **'প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ-২০২৬'** লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনে । ছাত্ৰীগৰাকীয়ে প্ৰাকৃতিক কৃষি আৰু উদ্ভাৱনীমূলক মালচিং কৌশলৰ দৰে পৰিৱেশ অনুকূল পদ্ধতি উদ্ভাৱনৰ ক্ষেত্ৰখনত কৰা কাম সঁচাকৈয়ে প্ৰশংসনীয় আৰু উদীয়মান ছাত্ৰীগৰাকীক অসম বিধান সভাৰ হৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ আৰু ছাত্ৰীগৰাকীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ ।

সন্মানীয় সদন, বিগত শীতকালীন অধিৱেশনত এই প্ৰসঙ্গৰ জৰিয়তে ভাৰতীয় দৃষ্টিহীন মহিলা ক্ৰিকেট দলে ২০২৫ বৰ্ষত টি-২০ বিশ্বকাপ দখল কৰাৰ বিষয়ে উল্লেখ কৰি ভাৰতীয় দলটোক অসম বিধান সভাৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰা হৈছিল । এই ৰাষ্ট্ৰীয় দলটোৰ এগৰাকী অন্যতম সদস্যা আছিল নগাঁও জিলাৰ কঠীয়াতলী অঞ্চলৰ তনয়া শ্ৰীমতী চিমু দাস । নিজৰ শাৰীৰিক প্ৰতিবন্ধকতা আৰু চৰম পাৰিবাৰিক দুৰ্দশাক নেওচি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই অনা এইগৰাকী অসম কন্যাৰ জীৱন সংগ্ৰামে দেশৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰো ধ্যান আকৰ্ষণ কৰিছিল । এই সুবাদতে মই চিমু দাসলৈ বিধান সভাৰ তৰফৰ পৰা অভিনন্দন জনালোঁ আৰু অসম চৰকাৰে খেলুৱৈগৰাকীক সংস্থাপিত কৰি স্বীকৃতি প্ৰদান কৰাৰ বাবে চৰকাৰলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ ।

মাননীয় সদস্যসকল, মই এতিয়া ৰাজ্যখনৰ অসাধাৰণ প্ৰতিভাশালী এগৰাকী শিশু সাঁতোৰবিদৰ কথা উল্লেখ কৰিব বিচাৰিছোঁ । চৰাইদেউ জিলাৰ চেপন নিবাসী ৭ বছৰীয়া কিউচেংহান ফুকনে এলিফেণ্টা আইলেণ্ডৰ পৰা গেটৱে' অৱ ইণ্ডিয়ালৈকে মাত্ৰ ৩.২৯ ঘণ্টাত ১৩ কিলোমিটাৰ সাঁতোৰ সম্পূৰ্ণ কৰা কনিষ্ঠতম সাঁতোৰবিদ হিচাপে ইতিহাস ৰচনা কৰি ৰাজ্যখনক গৌৰৱান্বিত কৰিছে । কনমাণিগৰাকীৰ এই অসাধাৰণ সফলতাৰ বাবে মই অলেখ শুভেচ্ছা জ্ঞাপন কৰিলোঁ আৰু লগতে উদীয়মান সাঁতোৰবিদ গৰাকীৰ এক সৰ্বাঙ্গসুন্দৰ সফল ভৱিষ্যত কামনা কৰিলোঁ । লগতে, এই সাফল্যমণ্ডিত যাত্ৰাৰ অংশীদাৰ গুৱাহাটীৰ সৰুসজাইস্থিত ক্ৰীড়া প্ৰকল্পৰ সাঁতোৰ প্ৰশিক্ষক বাবুল গুৰুঙৰ লগতে কিউচেংহানৰ পিতৃ শ্ৰী হেমাংগ ফুকন আৰু মাতৃ শ্ৰীমতী ৰিমলী হাজৰিকা ফুকনকো আমাৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ ।

**এতিয়া কাৰ্য্যসূচী নং-৩। কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন।**

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা সমিতিৰ নিয়ম ২৩০ ৰ অধীনত অসম বিধান সভাৰ উপদেষ্টা সমিতিৰ এখন সভা যোৱা ০৮-০২-২০২৬ তাৰিখে মাননীয় অধ্যক্ষৰ কাৰ্য্যালয়ৰ সভা কক্ষত ২০২৬ চনৰ বাজেটৰ Vote of Account ত উত্থাপিত হ'বলগীয়া কাৰ্য্যসূচীসমূহৰ ওপৰত আলোচনা আৰু বিভিন্ন বিভাগৰ দিনসমূহৰ ক্ৰমানুসাৰ আৰণ্টন আৰু দিনপঞ্জীখন চূড়ান্তকৰণৰ কাৰণে অনুষ্ঠিত কৰা হৈছিল আৰু সভাই পুংখানুপুংখ ভাৱে চালি-জাৰি চোৱাৰ অন্তত সৰ্ব্ব সন্মতিক্ৰমে দিনপঞ্জীখন চূড়ান্ত অনুমোদন জনায়। সমিতিয়ে অধিৱেশনৰ মুঠ কৰ্ম দিনৰ সংখ্যা ৪ দিনৰ বাবে নিৰ্দ্ধাৰিত কৰে আৰু প্ৰশ্নসমূহৰ বাবে বিভিন্ন বিভাগৰ দিনসমূহৰ ক্ৰমানুসাৰ আৰণ্টন অনুসৰি গোট "ক" আৰু গোট "ঙ" ত অন্তৰ্ভূক্তি নোহোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। সমিতিয়ে ১৬-০২ ২০২৬ তাৰিখে মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ পিছত ধন্যবাদ সূচক প্ৰস্তাৱ উত্তথাপন আৰু তাৰ পিছত পৰিপূৰক দাবীসমূহ দাখিল কৰাৰ লগতে ১৭-০২-২০২৬ তাৰিখে মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত আলোচনাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। সমিতিয়ে ১৮-০২-২০২৬ তাৰিখে প্ৰশ্নোত্তৰ কালৰ লগতে কৰ্তন প্ৰস্তাৱৰ ওপৰত আলোচনাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। সমিতিয়ে ১৯-০২-২০২৬ তাৰিখে Validatory Speech ৰ বাবে সদস্যসকলৰ মাজত দুই ঘণ্টা সময় আৰণ্টনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। ইতিমধ্যে চলিত বাজেট অধিৱেশনত Vote of Account ৰ দিনপঞ্জীখন সদনত মাননীয় সদস্য-সদস্যা সকলৰ মাজত বিতৰণ কৰা হৈছে। আশা কৰো এই প্ৰতিদেনৰ ওপৰত মাননীয় সদস্য-সদস্যা সকলৰ অনুমোদন আছে।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং-৪। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানীয়ে বিত্ত বিভাগৰ ০১-১১-২০২৫ ৰপৰা ৩১-০১-২০২৬ বৰ্ষৰ বাবে দুখন ৰাজপত্ৰিত অধিসূচনা দাখিল কৰিব।

**শ্ৰীমতী অজন্তা নেওগ, মন্ত্ৰী, বিত্ত বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই বিত্ত বিভাগৰ ০১-১১-২০২৫ ৰপৰা ৩১-০১-২০২৬ বৰ্ষৰ বাবে দুখন ৰাজপত্ৰিত অধিসূচনা সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং-৫। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানীয়ে বিত্ত বিভাগৰ report of the Seventh Assam State Finance Commission (2026-31) Volume I, II, III and IV along with the explanatory Memorandum of the action taken on the recommendations of the Seventh Assam State Finance Commission (2026-31) খন সদনত দাখিল কৰিব।

**শ্ৰীমতী অজন্তা নেওগ, মন্ত্ৰী, বিত্ত বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই বিত্ত বিভাগৰ report of the Seventh Assam State Finance Commission (2026-31) Volume I, II, III and IV along with the explanatory Memorandum of the action taken on the recommendations of the Seventh Assam State Finance Commission (2026-31) খন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং-৬। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানীয়ে বিত্ত বিভাগৰ ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন সদনত দাখিল কৰিব।

**শ্ৰীমতী অজন্তা নেওগ, মন্ত্ৰী, বিত্ত বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই বিত্ত বিভাগৰ ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন দুখন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং-৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই "The North Lakhimpur University (Amendment) Ordinance, 2026" খন সদনত দাখিল কৰিব।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী, শিক্ষা বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই "The North Lakhimpur University (Amendment) Ordinance, 2026" খন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং-৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী শ্ৰী যোগেন মহন ডাঙৰীয়াই সমবায় বিভাগৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰী যোগেন মহন, মন্ত্ৰী, সমবায় বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই সমবায় বিভাগৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনখন সদনত খন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং-৯। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰীমতী নন্দিতা গাৰ্লোচা ডাঙৰীয়ানীয়ে ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**Smti Nandita Garlosa, Minister, Sports and Youth Welfare ঃ** Hon'ble Deputy Speaker Sir, I beg to lay the Annual Administrative Report for the finacial year 2023-24 of Sports and Youth Welfare Department.

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং-১০। মাননীয় দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়াই দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰী প্ৰশান্ত ফুকন, মন্ত্ৰী, দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং-১১। অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ সভাপতি শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই সমিতিৰ ৯৮, ৯৯, ১০০, ১০১, ১০২ আৰু ১০৩ তম্ প্ৰতিবেদন কেইখন সদনত উত্থাপন কৰিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা, সভাপতি, ৰাজহুৱা উদ্যোগ সমূহৰ সমিতি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ ৯৮, ৯৯, ১০০, ১০১, ১০২ আৰু ১০৩ তম্ প্ৰতিবেদন কেইখন সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া Item No. 12. "The Assam Value Added Tax (Amendment) Bill, 2026"

ৰাজভৱনৰ পৰা এটা বাণী আছে। বাণীটো হ'ল-

Under the provision of Article 207(1) of the Constitution of India, I, Shri Lakshman Prasad Acharya, Governor of Assam, recommend the introduction of "The Assam Value Added Tax (Amendment) Bill, 2026" in the Assam Legislative Assembly.

এতিয়া মাননীয় বিত্ত মন্ত্ৰী শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানীয়ে "The Assam Value Added Tax (Amendment) Bill, 2026" খন উত্থাপন কৰিবলৈ সদনত অনুমতি বিচাৰিব ।

**শ্ৰীমতী অজন্তা নেওগ, মন্ত্ৰী, বিত্ত বিভাগ :** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Assam Value Added Tax (Amendment) Bill, 2026" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

Hon'ble Minister.

**শ্ৰীমতী অজন্তা নেওগ, মন্ত্ৰী, বিত্ত বিভাগ :** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam Value Added Tax (Amendment) Bill, 2026" সদনত উত্থাপনৰ কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং-১৩। মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সম্পৰ্কত মাননীয় সদস্য শ্ৰী ৰূপক শৰ্মাৰ পৰা প্ৰস্তাৱক আৰু শ্ৰী তৰংগ গগৈ ডাঙৰীয়াক সমৰ্থক হিচাপে এখন জাননী পাইছো। মই মাননীয় সদস্য শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়াক প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী ৰূপক শৰ্মা (নগাঁও) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,"২০২৬ চনৰ ১৬ ফেব্ৰুৱাৰী তাৰিখে ৰাজ্যপালে সদনত প্ৰদান কৰা ভাষণৰ কাৰণে, এই অধিৱেশনত সমবেত হোৱা অসম বিধান সভাৰ সদস্য সকলে তেখেতৰ প্ৰতি গভীৰ ভাৱে কৃতজ্ঞতা জ্ঞাপন কৰে।"

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী তৰংগ গগৈ ডাঙৰীয়াক মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সম্পৰ্কত উত্থাপন কৰা প্ৰস্তাৱটো সমৰ্থন কৰিবলৈ আহ্বান জনালো।

**শ্ৰী তৰংগ গগৈ (নাহৰকটীয়া) ঃ** মাননীয় সদস্য শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱটোত মই সমৰ্থন জনালো।

**মাননীয় উপাধ্যক্ষ ঃ** প্ৰস্তাৱটো উত্থাপন কৰা হ'ল। ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্কৰ বাবে ১৭ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে ধাৰ্য্য কৰা হৈছে। ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত সংশোধনী প্ৰস্তাৱসমূহ বিধান সভা সচিবালয়ে আজি ১৬ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে আবেলি ৩ বজালৈ গ্ৰহণ কৰিব। মাননীয় সদস্য-সদস্যাসকলৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত, প্ৰস্তাৱৰ ওপৰত যদি কোনো সংশোধনীৰ জাননী থাকে তেনেহ'লে অসম বিধান সভাৰ সচিবৰ কাৰ্য্যালয়ত দাখিল কৰিব পাৰিব।

এতিয়া কাৰ্য্যসূচী নং-১৪। মাননীয় বিত্ত মন্ত্ৰী মহোদয়াই ২০২৫-২৬ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰী সমূহৰ ওপৰত পৰিপূৰক বিনিয়োজনৰ তালিকা সদনত উপস্থাপন কৰিব।

**শ্ৰীমতী অজন্তা নেওগ, মন্ত্ৰী, বিত্ত বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ২০২৫-২৬ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰী সমূহৰ ওপৰত পৰিপূৰক বিনিয়োজনৰ তালিকা সদনত উপস্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** সদন ১৭ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখৰ পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।